# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-10-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

-------------------

১। মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ অধীনত চেক বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ। বাল্য বিবাহ আৰু বহু বিবাহৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

২। দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ৪ নৱেম্বৰৰ পৰা দ্বিতীয় পৰ্যায়ৰ ভোটদাতাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনী। অসমত এতিয়াই এই সংশোধনী নহয় বুলি নিৰ্বাচন আয়োগৰ প্ৰকাশ।

৩। অসম আৰক্ষীৰ জ্যেষ্ঠ অধীক্ষকসকলৰ সৈতে আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ পৰ্যালোচনা বৈঠক।

৪। দেশৰ ভিতৰত আটাইতকৈ কম দুৰ্নীতিগ্ৰস্ত ৰাজ্যৰ তালিকাত মিজোৰামৰ দ্বিতীয় স্থান দখল। ***আৰু***

৪। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি পৰম্পৰাগত ৰীতিৰে ষট পূজা পালন।

ooooo

নাৰী শিক্ষাৰ ক্ষেত্ৰত যুগান্তকাৰী পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি উচ্চ শিক্ষা লাভৰ বাবে ছাত্ৰীসকলৰ মাজত চেক বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। ডঃ শৰ্মাই তেওঁৰ ভাষণত কয়, যে ২০২৪-২৫ বৰ্ষত এই আঁচনিৰ অধীনত এক লাখ ৬০ হাজাৰ ছাত্ৰীলৈ ১৩৩ কোটি টকা মোকলাই দিয়া হৈছে আৰু ২০২৫-২৬ বৰ্ষত ৩ লাখ ৫০ হাজাৰ ছাত্ৰীক নিযুত মইনা আঁচনিৰ সুবিধা প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। তেওঁ কয়, যে উচ্চ শিক্ষা আহৰণৰ দিশত ৰাজ্যৰ ১০ লাখ কন্যা শিক্ষাৰ্থীৰ সুবিধাৰ্থে ৰাজ্য চৰকাৰে এই অভিলাষী পদক্ষেপ গ্ৰহণ কৰিছে। এই আঁচনিখনৰ জৰিয়তে মহাবিদ্যালয়ত ছাত্ৰীৰ নামভৰ্তিৰ সংখ্যা বৃদ্ধি, বাল্যবিবাহ তথা কৈশোৰকালৰ মাতৃত্ব প্ৰতিৰোধ, প্ৰতিগৰাকী কন্যা শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষা সুনিশ্চিত হৈছে। তেওঁ ভাষণ প্ৰসংগত বাল্যবিবাহৰ ঘটনাৰ পৰা ৰাজ্যৰ কন্যাসকলক সম্পূৰ্ণৰূপে মুক্ত কৰাৰ দৃঢ় সংকল্পৰ কথা দোহাৰে। ইয়াৰ উপৰি ৰাজ্যত নাৰী তথা ছোৱালীৰ মৰ্যাদা ৰক্ষাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰাৰ লগতে বহু বিবাহৰ কথাও উল্লেখ কৰে। ড০ শৰ্মাই বহু বিবাহৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও প্ৰকাশ কৰে।

**বাইট (চি এম)**

অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, পূব গুৱাহাটীৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যকে ধৰি আন কেইবাগৰাকী বিধায়ক উপস্থিত আছে।

ৰাজ্যৰ বিভিন্ন জিলাতো আজি এই আঁচনিৰ অধীনত চেক বিতৰণ কৰা হয়। **নলবাৰী** মহাবিদ্যালয়ত আয়োজিত কাৰ্যসূচীত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই ১০ গৰাকী ছাত্ৰীক আনুষ্ঠানিকভাৱে চেক বিতৰণ কৰে। জিলাখনৰ ১২ হাজাৰ ছাত্ৰীক এইবাৰ এই আঁচনিত অন্তৰ্ভুক্ত কৰা হৈছে।

মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ অধীনত **গোৱালপাৰা** জিলাৰ ১২ হাজাৰৰো অধিক ছাত্ৰীক সামৰি লোৱা হৈছে। জিলা আয়ুক্ত প্ৰদীপ টিমুঙে আজি পশ্চিম গোৱালপাৰা মহাবিদ্যালয়ত অনুষ্ঠিত কাৰ্যসূচীত ছাত্ৰীসকলৰ মাজত চেক বিতৰণ কৰে। বাল্য বিবাহ ৰোধ তথা কন্যাৰ শিক্ষাৰ ক্ষেত্ৰত এক বিশেষ জাগৰণ হিচাপে পৰিগণিত হোৱা এই আঁচনিৰ অধীনত **মৰিগাঁও** জিলাৰ ভালেমান ছাত্ৰীক চেক বিতৰণ কৰা হয়। আজি জাগীৰোডৰ জাগী উচ্চতৰ মাধ্যমিক খেলপথাৰত আয়োজিত কাৰ্যসূচীত মন্ত্ৰী পীযূষ হাজৰিকা উপস্থিত থাকে ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে চেক বিতৰণ কৰে। ভাষণ প্ৰসংগত তেওঁ এই আঁচনিয়ে ছাত্ৰীসকলৰ ভৱিষ্যত সুৰক্ষিত কৰিব বুলি মত প্ৰকাশ কৰে। **বজালী** জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানৰ মুঠ ৫ হাজাৰ ২১৩ গৰাকী ছাত্ৰীক আজি এই আঁচনিৰ অধীনত সামৰি লোৱা হৈছে। ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ত আয়োজিত কাৰ্যসূচীত জিলা আয়ুক্ত মৃদুল কুমাৰে ছাত্ৰীসকলৰ মাজত চেক বিতৰণ কৰে। **বৰপেটা** জিলাৰ ১৮ হাজাৰ ৩৪৯ গৰাকী ছাত্ৰীক এই আঁচনিৰ অধীনত সামৰি লোৱা হৈছে। এই উপলক্ষে আজি জিলাখনৰ ৮২ খন শিক্ষানুষ্ঠানত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। বৰপেটা ৰোডৰ হাউলী মহাবিদ্যালয়ত আয়োজিত কাৰ্যসূচীত মন্ত্ৰী ৰণজিত কুমাৰ দাস উপস্থিত থাকে। ভাষণ প্ৰসংগত তেওঁ এই আঁচনিখন ৰাজ্যৰ অন্যতম শ্ৰেষ্ঠ আঁচনি বুলি অভিহিত কৰে। **তামুলপুৰ** জিলাৰ ছাত্ৰীসকলকো আজি এই আঁচনিৰ চেক বিতৰণ কৰা হয়। তামুলপুৰ বাণিজ্য মহাবিদ্যালয়ত আয়োজিত কাৰ্যসূচীত বিটিচিৰ দৰংগাজুলিৰ পাৰিষদ বিজিত গৌৰা নাৰ্জাৰীয়ে ১৬৯ গৰাকী ছাত্ৰীক চেক বিতৰণ কৰে। তামুলপুৰ মহাবিদ্যালয়ত বিধায়ক জলেন দৈমাৰী আৰু তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজিত কাৰ্যসূচীত প্ৰাক্তন বিধায়ক ইমানুৱেল মুছাহাৰীয়ে ছাত্ৰীসকলৰ মাজত চেক বিতৰণ কৰে।

**নগাঁও** জিলাতো এই আঁচনিৰ চেক বিতৰণ কৰা হয়। কলিয়াবৰ মহাবিদ্যালয়ত আয়োজিত কাৰ্যসূচীত মন্ত্ৰী কেশৱ মহন্তই ছাত্ৰীসকলৰ মাজত চেক বিতৰণ কৰে। ইপিনে নেহৰুবালিত আয়োজিত এটা কাৰ্যসূচীত বিধায়ক ৰূপক শৰ্মাই ছাত্ৰীসকলৰ মাজত চেক বিতৰণ কৰে।

**বিশ্বনাথ** জিলাৰ গহপুৰৰ ছয়দুৱাৰ মহাবিদ্যালয়ৰ ড০ ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত আয়োজিত কাৰ্যসূচীত এই আঁচনিৰ চেক বিতৰণ কৰা হয়। অনুষ্ঠানত উপস্থিত থকা ছাত্ৰীসকলে ভাৰ্চুৱেল ব্যৱস্থাৰে মুখ্যমন্ত্ৰীৰ ভাষণ প্ৰত্যক্ষ কৰে। এই কাৰ্যসূচীত গহপুৰৰ ১৮ খন উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু দুখন মহাবিদ্যালয়ৰ ছাত্ৰীক এই আঁচনিৰ অধীনত সামৰি লোৱা হৈছে। অনুষ্ঠানত স্থানীয় বিধায়ক উৎপল বৰা, মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ কিশোৰ সিং ৰাজপুত উপস্থিত থাকে।

অসম পৰ্যটন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাই আজি **ডিব্ৰুগড়** বিশ্ববিদ্যালয়ত আয়োজিত কাৰ্যসূচীত ছাত্ৰীসকলৰ মাজত চেক বিতৰণ কৰে। এই কাৰ্যসূচীত বিশ্ববিদ্যালখনৰ উপাচাৰ্য ড০ জিতেন হাজৰিকা, পঞ্জীয়ক ড০ পৰমানন্দ সোণোৱালকে ধৰি ভালেমান ব্যক্তি উপস্থিত থাকে।

**গোলাঘাট** জিলাত আয়োজিত কাৰ্যসূচীত বিত্ত মন্ত্ৰী অজন্তা নেওগ আৰু সাংসদ কামাখ্যা প্ৰসাদ তাছাই ছাত্ৰীসকলক চেক বিতৰণ কৰে। ইফালে জিলাখনৰ মেলাপৰা মহাবিদ্যালয়ত আয়োজিত কাৰ্যসূচীত খুমটাইৰ বিধায়ক মৃণাল শইকীয়াই ছাত্ৰীসকলক চেক বিতৰণ কৰে। **শোণিতপুৰ** জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানত আজি এই আঁচনিৰ চেক বিতৰণ কৰা হয়। জিলা প্ৰশাসনৰ উদ্যোগত বিভিন্ন শিক্ষানুষ্ঠানত আয়োজিত কাৰ্যসূচীত স্বাস্থ্য

মন্ত্ৰী অশোক সিংহল, সাংসদ ৰঞ্জীত দত্ত, বিধায়ক পদ্ম হাজৰিকা, পৃথ্বীৰাজ ৰাভা আৰু কৃষ্ণ কমল তাঁতী উপস্থিত থাকে।

**হোজাই** জিলাতো এই আঁচনিৰ চেক বিতৰণ কৰা হয়। হোজাইৰ ছোৱালীৰ মহাবিদ্যালয়ত আয়োজিত কাৰ্যসূচীত স্থানীয় বিধায়ক ৰামকৃষ্ণ ঘোষে এহেজাৰ ২৬৯ গৰাকী ছাত্ৰীক চেক বিতৰণ কৰে। **শিলচৰৰ** পুলিচ পেৰেড গ্ৰাউণ্ডত আয়োজিত কাৰ্যসূচীত জিলাখনৰ ৬ হাজাৰ ২৭০ ছাত্ৰীক এই আঁচনিৰ চেক বিতৰণ কৰা হয়। অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ কনাড পুৰকায়স্থ, শিলচৰৰ সাংসদ পৰিমল শুক্লবৈদ্য উপস্থিত থাকে। ৰাজ্যৰ মীন, পশুপালন, পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালে **শ্ৰীভূমি** জিলাৰ পাথাৰকান্দি বিধানসভা সমষ্টিৰ অন্তৰ্গত স্বামী বিবেকানন্দ মহাবিদ্যালয়ত আয়োজিত কাৰ্যসূচীত ছাত্ৰীসকলক চেক বিতৰণ কৰে। এই আঁচনিৰ অধীনত জিলাখনৰ ১০ হাজাৰ ১৮ গৰাকী ছাত্ৰীক সামৰি লোৱা হৈছে।

ooooo

অসম বিধানসভাৰ শীতকালীন অধিৱেশন দিশপুৰত অহা ২৫ নৱেম্বৰত আৰম্ভ হ'ব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে আৰম্ভ হ'বলগীয়া এইবাৰৰ অধিৱেশনত কেইবাখনো বিধেয়ক উত্থাপন কৰাৰ উপৰি গুৰুত্বপূৰ্ণ প্ৰতিবেদন দাখিল কৰা হ'ব। ৰাজ্য চৰকাৰে বিধানসভাৰ শীতকালীন অধিৱেশনত লাভ জেহাদ, বহু বিবাহৰ বিৰুদ্ধে বিধেয়ক আৰু সত্ৰৰ সংৰক্ষণ সন্দৰ্ভত কেইবাখনো বিধেয়ক উত্থাপন কৰাৰ সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে এই বিষয়ে প্ৰকাশ কৰিছে। তদুপৰি ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত মন্ত্ৰীগোটৰ প্ৰতিবেদনৰ লগতে নেলী হত্যাকাণ্ডক লৈ গঠন কৰা তিৱাৰী আয়োগৰ প্ৰতিবেদন বিধানসভাত দাখিল কৰা হ'ব। একেদৰে চাহ বাগিচাৰ শ্ৰমিকক ভূমিৰ অধিকাৰ প্ৰদান আৰু অসমৰ প্ৰতিখন চিকিৎসা মহাবিদ্যালয়ত চাহ বাগিচাৰ শিক্ষাৰ্থীসকলৰ বাবে ৪ খনকৈ আসন সংৰক্ষণ কৰাৰ বাবে বিধানসভাত বিধেয়ক উত্থাপন কৰা হ'ব।

ooooo

নিৰ্বাচন আয়োগে দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত দ্বিতীয় পৰ্যায়ৰ ভোটদাতাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনী আৰম্ভ কৰিব। অৱশ্যে এই ৰাজ্যসমূহৰ ভিতৰত অসমক অন্তৰ্ভুক্ত কৰা হোৱা নাই। আজি নতুন দিল্লীত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ভোটদাতাৰ তালিকা স্বচ্ছ আৰু ত্ৰুটিমুক্ত কৰাৰ বাবে এই ব্যৱস্থা লোৱা হৈছে। এই পৰ্যায়ত অহা ৪ নৱেম্বৰৰ পৰা চত্তিশগড়, উত্তৰ প্ৰদেশ, গোৱা, কেৰালা, পুডুচেৰী, গুজৰাট, ৰাজস্থান, পশ্চিমবংগ, লাক্ষাদ্বীপ, আন্দামান নিকোবৰ আৰু মধ্যপ্ৰদেশত এই প্ৰক্ৰিয়া ৰূপায়ণ কৰা হ'ব। অহা বছৰৰ ৭ ফেব্ৰুৱাৰীত ভোটদাতাৰ তালিকা প্ৰকাশ কৰা হব।

ooooo

গুৱাহাটী মহানগৰীৰ দিশপুৰ আৰক্ষীয়ে আজি সংবাদ মেল সম্বোধন কৰি থকা অৱস্থাতে বীৰ লাচিত সেনা নামৰ সংগঠনৰ মুখ্য সচিব ৰণ্টু পানী ফুকন আৰু কেন্দ্ৰীয় সমিতিৰ সদস্য তন্ময় ফুকনক আটক কৰে। সংগঠনৰ দুয়োগৰাকী নেতাক আটক কৰি আৰক্ষীয়ে দিশপুৰ থানাত দুয়োকে সোধা-পোচা অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে ধন দাবী আৰু অপহৰণৰ এটা গোচৰত কালি আৰক্ষীয়ে ৮ জনক গ্ৰেপ্তাৰ কৰিছিল আৰু ইয়াৰে

৫ জনেই বীৰ লাচিত সেনা নামৰ সংগঠনৰ সদস্য বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছিল। এই সন্দৰ্ভত আজি সংগঠনটোৰ নেতা দুগৰাকীয়ে সংবাদমেল সম্বোধন কৰা অৱস্থাতে আৰক্ষীয়ে তেওঁলোকক আটক কৰে। এই সন্দৰ্ভত গুৱাহাটী মহানগৰীৰ উপ আৰক্ষী আয়ুক্ত মৃনাল ডেকাই এইদৰে কয়।

বাইট ঃ মৃনাল ডেকা

ইপিনে, কালি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ৮ জন লোকৰ পৰা ভালেমান আপত্তিজনক সামগ্ৰী জব্দ কৰিছিল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত আজি সংবাদমাধ্যমৰ আগত কয় যে অসমক অশান্ত কৰিব পৰা কোনো শক্তিক প্ৰশ্ৰয় দিয়া নহ'ব। এই সন্দৰ্ভত আজি সন্ধিয়া ৭ বজাত অসম আৰক্ষীৰ সমূহ জ্যেষ্ঠ অধীক্ষকৰ সৈতে ব্যক্তিগতভাৱে পৰ্যালোচনা কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে লাচিত সেনা নামৰ সংগঠনটোৰ কেতবোৰ কাৰ্যত তীব্ৰ অসন্তুষ্টি ব্যক্ত কৰে।

বাইট ঃ মুখ্যমন্ত্ৰী

ooooo

মিজোৰামে দেশৰ ভিতৰত আটাইতকৈ কম দুৰ্নীতি হোৱা ৰাজ্যৰ তালিকাত দ্বিতীয় স্থান দখল কৰিছে। এই তালিকাত লাক্ষাদ্বীপ প্ৰথম স্থানত আছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পু লালদুঅ'মাই সতৰ্কতা সজাগতা সপ্তাহ ২০২৫ উপলক্ষে এই কথা ঘোষণা কৰে। এই সফলতাৰ ক্ষেত্ৰত ৰাজ্যখনৰ চৰকাৰৰ সুপ্ৰশাসন আৰু স্বচ্ছতাৰ নীতিয়ে অৰিহণা যোগাইছে বুলি তেওঁ মত প্ৰকাশ কৰে। তেওঁ লগতে দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত ৰাজ্যখনৰ জনসাধাৰণৰ সমন্বিত আৰু দায়বদ্ধ প্ৰচেষ্টাৰ কথাও উল্লেখ কৰে। তেওঁ কয়, যে চৰ্দাৰ বল্লভ ভাই পেটেলৰ জয়ন্তী উপলক্ষে প্ৰতিবছৰে ৩১ অক্টোবৰ পৰ্যন্ত এই সপ্তাহ পালন কৰা হয়। ইয়াৰ অধীনত দুৰ্নীতিৰ বিৰুদ্ধে নাগৰিকৰ মনত শক্তিশালী স্থিতি গঢ় দিয়াৰ বাবে প্ৰয়াস কৰা হয়।

ooooo

ভাৰতীয় সম্প্ৰচাৰ অভিযান্ত্ৰিক সেৱাৰ জ্যেষ্ঠ বিষয়া ৰবীন চন্দ্ৰ বড়োৱে আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ উপ-সঞ্চালক প্ৰধান আৰু কেন্দ্ৰটোৰ মুৰব্বী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছে। তেওঁ উপ-সঞ্চালক প্ৰধান ৱালিউল্লাহ খানৰ পৰা কাৰ্যভাৰ গ্ৰহণ কৰে। উল্লেখযোগ্য যে অভিযান্ত্ৰিক শাখাৰ জ্যেষ্ঠ বিষয়া শ্ৰীবড়োৱে ইয়াৰ আগতে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অভিযান্ত্ৰিক শাখাৰ সঞ্চালক পদকে ধৰি কেইবাটাও আকাশবাণী আৰু দূৰদৰ্শন কেন্দ্ৰত সুখ্যাতিৰে সেৱা আগবঢ়াই আহিছে।

ooooo

বঙাইগাঁৱৰ ঐতিহ্যমণ্ডিত গান্ধী ময়দানত চলি থকা বঙাইগাঁও গ্ৰন্থমেলাত আজি ষষ্ঠ দিনালৈকে ২০ লাখৰো অধিক টকাৰ গ্ৰন্থ বিক্ৰী হোৱা বুলি অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই প্ৰকাশ কৰিছে। আজি গ্ৰন্থমেলাৰ প্ৰাংগণত জুবিন গাৰ্গ সোঁৱৰণী অস্থায়ী প্ৰেক্ষাগৃহত এখন কবি সন্মিলনৰো আয়োজন কৰা হয়। ৰাজ্যৰ বিশিষ্ট কবি, সমালোচক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ এম কামালুদ্দিন আহমেদে কবি সন্মিলনখন সঞ্চালনা কৰে। ড০ আহমেদে কয়, যে অসমীয়া কবিতাই বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰে দীৰ্ঘ পৰিক্ৰমা অতিক্ৰম কৰিছে আৰু ভাৰতীয় তথা বিশ্ব সাহিত্যৰ প্ৰেক্ষাপটৰ সৈতে তুলনা কৰিলে অসমীয়া কবিতাৰ সাম্প্ৰতিক ৰূপটোক আকৰ্ষণীয় বুলি ক'ব পাৰি। এই ৰূপৰ অধিক উত্তৰণৰ প্ৰয়োজন আছে আৰু সৃষ্টিৰ প্ৰতি কবিসকলৰ দায়বদ্ধতাই উত্তৰণৰ বাট কাটিব পাৰিব বুলিও তেওঁ মন্তব্য কৰে।

আজিৰ কবিৰ সন্মিলনত সৌৰভ শইকীয়া, প্ৰতীম বৰুৱা, কনকচন্দ্ৰ ৰায়, খঞ্জনা শৰ্মা, মৈত্ৰেয়ী পাটৰ, ধিমান বৰ্মন, দিগন্ত নিবিৰকে ধৰি কেইবাগৰাকীও প্ৰতিভাৱান কবিয়ে অংশগ্ৰহণ কৰে।

০০০০

ৰাজ্যৰ স্বাস্থ্য বিভাগে ৰাজ্যজুৰি আৰম্ভ কৰা শুশ্ৰুষা সেতু শীৰ্ষক স্বাস্থ্য শিবিৰৰ অংশ হিচাপে আজি ডিব্ৰুগড় জিলাৰ খোৱাং বিধানসভা সমষ্টিৰ অন্তৰ্গত কোটোহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হয়। খোৱাঙৰ বিধায়ক চক্ৰধৰ গগৈয়ে এই শিবিৰ মুকলি কৰে। শিবিৰত সমষ্টিটোৰ ১৮ বছৰৰ তলৰ প্ৰত্যেক শিশু তথা কিশোৰ-কিশোৰীৰ স্বাস্থ্য পৰীক্ষা সম্পন্ন কৰা হয়।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি ষট্ পূজা পালন কৰা হৈছে। এই উপলক্ষে ভক্তসকলে নৈৰ ঘাটত নৈবদ্য আগবঢ়াই আৰাধনা কৰিবলৈ সমবেত হৈছে। গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইত ষট পূজা অনুষ্ঠিত হৈছে। জিলাখনৰ ব্ৰহ্মপুত্ৰৰ কছাৰীঘাটত আজি বিয়লিৰ পৰা অগণন লোকে ফল-মূল, পিঠাপনা আদি আগবঢ়াই অস্তমিত সূৰ্য্য দেৱতাক আৰাধনা কৰিছে। কাইলৈ পুৱাও উদিত সূৰ্য্যক ভক্তসকলে আৰাধনা কৰিব। কামৰূপ জিলাৰ বিভিন্ন প্ৰান্তত ষট পূজা পালন কৰা হৈছে। আমিনগাওঁৰ শৰাইঘাট দলঙৰ সমীপত ব্ৰহ্মপুত্ৰৰ পাৰত আজি বহু লোক সমবেত হৈ এই পূজা সম্পন্ন কৰিছে। গুৱাহাটী মহানগৰীৰ পাণ্ডু ঘাট, পানবজাৰ, উজানবজাৰ, খাৰঘুলিকে ধৰি ভিন্ন অঞ্চলত ব্ৰহ্মপুত্ৰৰ পাৰত সমবেত হৈ ভক্তসকলে অস্তমিত সূৰ্য্যলৈ নৈবদ্য আগবঢ়ায়। ষট পূজা উপলক্ষে গুৱাহাটীৰ আৰক্ষী উপ-আয়ুক্ত কাৰ্যালয়ে আজি আৰু কাইলৈ মহানগৰীখনত যানবাহন চলাচলৰ ক্ষেত্ৰত কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি গুৱাহাটী মহানগৰীত এই সময়ছোৱাত সামগ্ৰী পৰিবাহী গধূৰ বাণিজ্যিক বাহন আৰু অন্য গধূৰ বাহন প্ৰৱেশত বাধা আৰোপ কৰা হৈছে। অৱশ্যে মাছখোৱা অঞ্চলত পূজাৰ সামগ্ৰী আৰু ভক্তসকলক কঢ়িয়াই নিয়া বাহনসমূহ চলাচলত অনুমতি দিয়া হৈছে।

বিশ্বনাথ জিলাৰ বিহালী, গহপুৰ আদি অঞ্চলত ষট্ পূজা পালন কৰা হৈছে। এই পূজাই পৰিয়ালৰ সুখ সমৃদ্ধি আৰু সন্তানৰ  কল্যান কৰে বুলি বিশ্বাস কৰা হয়। ধেমাজী জিলাতো আজি পৰম্পৰাগত ৰীতি নীতিৰে ষট পূজা পালন কৰা হয়। জিলাখনৰ সদৰৰ টেলিজান ঘাটৰ লগতে চিলাপথাৰ, জোনাই আৰু গোগামুখৰ ঘাটসমূহতো ভক্তসকলে ধূপ, ধূনা, নৈবদ্য, ফল মূল আদিৰে সূৰ্য্য দেৱতাক আৰাধনা কৰে।

শিলচৰত এই উৎসৱ উপলক্ষে বৰাক নদীৰ অন্নপূৰ্ণা ঘাট, ৰংপুৰ ঘাট, বৰম বাবা, এন আই টি শিলচৰৰ জলাশয়ৰ বিভিন্ন ঘাট সজাই তোলা হৈছে। কাছাৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই সকলো ভক্ত আৰু জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰাৰ উদ্দেশ্যে কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। হোজাই জিলাৰ লংকা লংকেশ্বৰী ষট্ ঘাটত পূজা সমিতিয়ে দুদিনীয়া কাৰ্যসূচীৰে ষট্ পূজা পালন কৰিছে।

পশ্চিম কাৰ্বি আংলং জিলাতো দুদিনীয়া কাৰ্যসূচীৰে ষট পূজা পালন কৰা হৈছে। জিলাখনৰ খেৰণী, বৈঠালাংছ' আৰু হামৰেণত বাস কৰা ভোজপুৰী সম্প্ৰদায়ৰ লোকসকলৰ লগতে বঙালী সম্প্ৰদায়ৰ লোকসকলেও এই পূজাত অংশগ্ৰহণ কৰা বুলি আমাৰ সংবাদদাতাই জনাইছে। আজি পৰম্পৰাগত ৰীতি-নীতিৰে ভক্তসকলে কপিলী নৈ, বৰপানী নৈৰ ঘাটত অস্থায়ীভাৱে সজা দেৱী ষট মাৰ বেদীত ভোগ-নৈবদ্য অৰ্পণ কৰি আশিস বিচাৰিছে। এই পূজাৰ সময়ছোৱাত যাতে কোনোধৰণৰ দুৰ্ঘটনা সংঘটিত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি জিলা দুৰ্যোগ ব্যৱস্থাপনা বিভাগে যাৱতীয় প্ৰস্তুতি গ্ৰহণ কৰিছে।

০০০০০

বিশিষ্ট অভিনেতা নিপন গোস্বামীৰ আজি মৃত্যু তিথি উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গভীৰ শ্ৰদ্ধা জনাইছে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৰাজ্যৰ অভিনয় জগতৰ প্ৰখ্যাত শিল্পীগৰাকীৰ অভিনয়, প্ৰতিভাৰ সমান্তৰালকৈ তেখেতৰ ব্যক্তিত্বও আকৰ্ষিত কৰিছিল বুলি মত প্ৰকাশ কৰে। ড০ শৰ্মাই **ককাদেউতা নাতি আৰু হাতী** চলচ্চিত্ৰখনত অভিনয় কৰাৰ সময়ছোৱাত তেখেতৰ সান্নিধ্য লাভ কৰাৰ কথা উল্লেখ কৰে। উল্লেখযোগ্য যে ২০২২ চনৰ ২৭ অক্টোবৰত ৮০ বছৰ বয়সত অভিনেতাগৰাকীৰ মৃত্যু হৈছিল।

০০০০০

ঃঃ সমাপ্ত ঃঃ